**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 21-01-2025
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN

**HEADLINES**

**::::::::::::::::::**

১। কেন্দ্ৰীয় জনজাতি পৰিক্ৰমা মন্ত্ৰালয়ে আজি নতুন দিল্লীৰ ভাৰত মণ্ডপমত প্ৰধানমন্ত্ৰী জনমন কাৰ্যসূচী সন্দৰ্ভত জিলা ন্যায়াধীশসকলৰ এখন ৰাষ্ট্ৰীয় সন্মিলনৰ আয়োজন কৰিছে।

২। দিল্লী বিধানসভা নিৰ্বাচনৰ মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ কালি সামৰণি পৰে। এই নিৰ্বাচনৰ বাবে ৬৯৯ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব।

৩। ড'নাল্ড ট্ৰাম্পে কালি আমেৰিকাৰ ৪৭ সংখ্যক ৰাষ্ট্ৰপতি শপতগ্ৰহণ কৰে।

৪। সংবিধান প্ৰণয়নৰ ৭৫ বছৰ সম্পূৰ্ণ হোৱাৰ প্ৰতি বিশেষ গুৰুত্ব দি সাংস্কৃতিক বৈচিত্ৰ আৰু সামৰিক দক্ষতা প্ৰদৰ্শন কৰিবলৈ ২০২৫ বৰ্ষৰ গণৰাজ্য দিৱসৰ পেৰেড সাজু কৰা হৈছে। **আৰু**

৫। মহিলাৰ ১৯ বছৰ অনূৰ্ধ্বৰ আই চি চি টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ দ্বিতীয় সংস্কৰণৰ গ্ৰুপ-এৰ এখন খেলত আজি, যোৱাবাৰৰ চেম্পিয়ন ভাৰত মালয়েছিয়াৰ মুখামুখি হ'ব।

০০০০০

কেন্দ্ৰীয় জনজাতি পৰিক্ৰমা মন্ত্ৰালয়ে আজি নতুন দিল্লীৰ ভাৰত মণ্ডপমত **প্ৰধানমন্ত্ৰী জনমন** কাৰ্যসূচী সন্দৰ্ভত জিলা ন্যায়াধীশসকলৰ এখন ৰাষ্ট্ৰীয় সন্মিলনৰ আয়োজন কৰিছে। কেন্দ্ৰীয় জনজাতি পৰিক্ৰমা মন্ত্ৰী জুৱেল ওৰাম আৰু বিভাগটোৰ ৰাজ্যিক মন্ত্ৰী দুৰ্গা দাস উইকেও এই সন্মিলনত ভাগ ল'ব। এই সন্মিলনত প্ৰধানমন্ত্ৰী জনমন অভিযানৰ অধীনত গ্ৰামাঞ্চলৰ গৃহ আৰু পথ উন্নয়ন, বিদ্যালয়সমূহৰ ছাত্ৰাৱাস, খোৱাপানী, অংগনৱাড়ী কেন্দ্ৰসমূহৰ কাম-কাজৰ লগতে বহুমুখী কেন্দ্ৰসমূহৰ কাৰ্যকৰিতা- এই ছটা মূল বিষয়ক লৈ আলোচনা কৰা হ'ব। যিসমূহ জিলাত উন্নয়নৰ যথেষ্ট থল আছে সেইসমূহ জিলাৰ বিকাশৰ পথ সুগম কৰাই এই সন্মিলনৰ মূল উদ্দেশ্য। এই অভিযানৰ অধীনত কাম-কাজসমূহ আৰু অধিক ক্ষিপ্ৰতাৰে কেনেদৰে সম্পন্ন কৰিব পৰা যায় সেই বিষয় সন্দৰ্ভতো আলোচনা কৰা হ'ব। জনজাতি পৰিক্ৰমা মন্ত্ৰালয়ে জনাইছে যে ১৮ খন ৰাজ্যৰ মুঠ ৮৮ খন জিলাক সামৰি লোৱা হ'ব। এই সন্মিলনৰ জৰিয়তে মন্ত্ৰালয়ে তৃণমূল পৰ্যায় আৰু নীতিসমূহৰ মাজৰ থকা ব্যৱধান দূৰ কৰাৰ লগতে প্ৰধানমন্ত্ৰী জনমন অভিযানক অধিক ক্ষীপ্ৰ কৰি তোলা আৰু অংশগ্ৰহণকাৰী ৰাজ্যসমূহৰ সকলো জনসাধাৰণে যাতে এই অভিযানৰ দ্বাৰা লাভান্বিত হ'ব পাৰে সেইতো সুনিশ্চিত কৰাৰ প্ৰয়াস কৰা হৈছে।

০০০০০

দিল্লী বিধানসভা নিৰ্বাচনৰ মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ কালি সামৰণি পৰে। এই নিৰ্বাচনৰ বাবে ৬৯৯ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। মুখ্য নিৰ্বাচনী বিষয়াই জনোৱা মতে মুঠ এহেজাৰ ৫২২ খন মনোনয়ন পত্ৰৰ ভিতৰত ৪৮৭ খন মনোনয়ন বাতিল হয়। নতুন দিল্লী বিধানসভা আসনখনৰ বাবে সৰ্বাধিক ২৩ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰিছিল। পেটেল নগৰ আৰু কস্তুৰবা নগৰৰ আসন দুখনৰ বাবে ৫

গৰাকীকৈ প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰিছিল। উল্লেখযোগ্য যে ৭০ জনীয়া দিল্লী বিধানসভাৰ বাবে অহা ৫ ফেব্ৰুৱাৰীত ভোটগ্ৰহণ আৰু ৮ ফেব্ৰুৱাৰীত ভোট গণনা কৰা হ'ব।

০০০০০

ড'নাল্ড ট্ৰাম্পে কালি আমেৰিকাৰ ৪৭ সংখ্যক ৰাষ্ট্ৰপতিৰূপে শপত গ্ৰহণ কৰে। ভাৰতীয় সময় অনুসৰি নিশা চাৰে ৮ বজাত ৱাশ্বিংটনৰ কেপিটেল হিলত আমেৰিকাৰ মুখ্য ন্যায়াধীশ জন ৰবাৰ্টছে ৭৮ বছৰীয়া ড'নাল্ড জন ট্ৰাম্পক কাৰ্যভাৰ গ্ৰহণ আৰু গোপনীয়তা ৰক্ষাৰ শপত বাক্য পাঠ কৰোৱায়। অৱশ্যে বেয়া বতৰৰ আগজাননীৰ পৰিপ্ৰেক্ষিতত এইবাৰ ৰাষ্ট্ৰপতিৰ শপত গ্ৰহণ অনুষ্ঠান ৱাশ্বিংটনৰ ৰতুনডা হলঘৰৰ ভিতৰত অনুষ্ঠিত হয়। ট্ৰাম্পৰ লগতে জে ডি ভেন্সে উপ-ৰাষ্ট্ৰপতি হিচাপে শপত গ্ৰহণ কৰে। উল্লেখযোগ্য যে যোৱা বছৰৰ ৫ নৱেম্বৰত অনুষ্ঠিত নিৰ্বাচনত ড'নাল্ড ট্ৰাম্পে তেওঁৰ প্ৰতিদ্বন্দ্বী কমলা হেৰিছক পৰাজিত কৰি দ্বিতীয় বাৰলৈ আমেৰিকাৰ ৰাষ্ট্ৰপতিৰূপে নিৰ্বাচিত হৈছিল। শপত গ্ৰহণ অনুষ্ঠানত কালি বিশ্বৰ কেইবাগৰাকীও চৰকাৰ প্ৰধানে অংশগ্ৰহণ কৰে। এইসকলৰ ভিতৰত আৰ্জেন্টিনাৰ ৰাষ্ট্ৰপতি জেভিয়াৰ মিলি, ইটালীৰ প্ৰধানমন্ত্ৰী জৰ্জিয়া মেল'নি, চীনৰ ৰাষ্ট্ৰপতি ঝি জিনপিং, হাংগেৰীৰ প্ৰধানমন্ত্ৰী ভিক্টৰ অৰ্বানো আছে। শপত গ্ৰহণ অনুষ্ঠানত বিশ্বৰ আগশাৰীৰ উদ্যোগপতি তথা টেচলাৰ স্বত্বাধিকাৰী এল'ন মাস্ক, এমাজনৰ স্বত্বাধিকাৰী জেফ বেজ'জ, মেটাৰ স্বত্বাধিকাৰী মাৰ্ক জুকাৰবাৰ্গ, এপ'ল'ৰ স্বত্বাধিকাৰী টিম কুকেও অংশগ্ৰহণ কৰে। শপত গ্ৰহণ অনুষ্ঠানৰ পাছতে ৰাষ্ট্ৰপতি ট্ৰাম্পে পৰম্পৰা অনুসৰি ৰাষ্ট্ৰক সম্বোধি ভাষণ প্ৰদান কৰে। ভাষণত ৰাষ্ট্ৰপতি ট্ৰাম্পে মূল্যবৃদ্ধি হ্ৰাস কৰিবলৈ বিশেষ ব্যৱস্থা গ্ৰহণৰ সংকল্প লয়। নতুন ৰাষ্ট্ৰপতিগৰাকীয়ে নিজৰ মন্ত্ৰীসভাক তেওঁলোকৰ ক্ষমতা ব্যৱহাৰ কৰি সামগ্ৰীৰ ব্যয় হ্ৰাস কৰিবলৈ নিৰ্দেশ দিয়াৰ প্ৰতিশ্ৰুতিও প্ৰদান কৰে। শপত গ্ৰহণৰ পিছত প্ৰথমটো ভাষণত ডনাল্ড ট্ৰাম্পে সেনাই নিজৰ অভিযানৰ বাবে মুক্তভাবে হ'ব বুলি উল্লেখ কৰে। সকলোকে সমান সুযোগ প্ৰদান কৰাৰ লগতে আন দেশৰ ওপৰত শুল্ক আৰু কৰ বৃদ্ধি কৰা হ'ব বুলিও তেওঁ উল্লেখ কৰে। এতিয়াৰে পৰা কাকো আমেৰিকাত অনুপ্ৰৱেশ কৰিবলৈ দিয়া নহ'ব বুলিও দৃঢ়তাৰে উল্লেখ কৰে। মেক্সিকো উপসাগৰক এতিয়াৰে পৰা আমেৰিকাৰ উপসাগৰ বুলি কোৱা হ'ব বুলি তেওঁ ঘোষণা কৰে।

০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে কালি ৱাশ্বিংটনত অনুষ্ঠিত ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰ শপত গ্ৰহণ অনুষ্ঠানত ভাগ লয়। অনুষ্ঠানত শ্ৰী জয়শংকৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বিশেষ প্ৰতিনিধি হিচাপে ভাগ লৈছিল। ইয়াৰ পূৰ্বে কালি মন্ত্ৰীগৰাকীয়ে ৱাশ্বিংটন ডি চিত থকা ছেইণ্ট জ'নছ্ চাৰ্চত অনুষ্ঠিত এটা কাৰ্যসূচীতো ভাগ লয়।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আমেৰিকাৰ ৪৭ সংখ্যক ৰাষ্ট্ৰপতি হিচাপে দায়িত্ব গ্ৰহণ কৰাৰ বাবে ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পক শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমত দিয়া এটা প'ষ্টত প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে বিশ্বৰ সুন্দৰ ভৱিষ্যতক গঢ় দিয়াৰ লগতে দেশ দুখনৰ বিকাশ অধিক ত্বৰান্বিত কৰাৰ উদ্দেশ্যে নৱনিৰ্বাচিত ৰাষ্ট্ৰপতিগৰাকীৰ সৈতে একেলগে কাম কৰি যোৱাৰ ইচ্ছা প্ৰকাশ কৰে।

০০০০০

সংবিধান প্ৰণয়ন হোৱাৰ ৭৫ বছৰ সম্পূৰ্ণ হোৱাৰ প্ৰতি বিশেষ গুৰুত্ব দি ভাৰতৰ সাংস্কৃতিক বৈচিত্ৰ্য আৰু সামৰিক দক্ষতা প্ৰদৰ্শন কৰিবলৈ ২০২৫বৰ্ষৰ গণৰাজ্য দিৱসৰ পেৰেড সাজু কৰা হৈছে। ইণ্ডোনেছিয়াৰ ৰাষ্ট্ৰপতি প্ৰব'ও ছুবিয়ানটোয়ে এইবাৰ গণৰাজ্য দিৱসৰ পেৰেডত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। নতুন দিল্লীত সংবাদ মাধ্যমক সম্বোধন কৰি প্ৰতিৰক্ষা সচিব ৰাজেশ কুমাৰ সিঙে কয় যে ভাৰতীয় সশস্ত্ৰ বাহিনীৰ দলৰ সৈতে কাৰ্তব্য পথত অনুষ্ঠিত হ'বলগীয়া পেৰেডত ১৬০ জনীয়া বিশেষ পেৰেড গোট আৰু ইণ্ডোনেছিয়াৰ ১৯০ জনীয়া এটা বিশেষ পেৰেড গোটে অংশগ্ৰহণ কৰিব। তেওঁ লগতে কয় যে বিভিন্ন ৰাজ্য, কেন্দ্ৰীয় শাসিত অঞ্চল, আৰু কেন্দ্ৰীয় চৰকাৰৰ মন্ত্ৰালয় আৰু বিভাগৰ পৰাও ৩১টা দলে পেৰেডত অংশগ্ৰহণ কৰিব। সংবিধানৰ ৭৫ বছৰ সম্পূৰ্ণ হোৱাৰ স্মৃতিত দুটা বিশেষ গোটে পেৰেডত ভাগ ল'ব বুলিও প্ৰতিৰক্ষা মন্ত্ৰালয়ে জানিবলৈ দিয়ে। এইবাৰ গণৰাজ্য দিৱসৰ কাৰ্যসূচীলৈ দেশ আৰু সমাজ নিৰ্মাণৰ ক্ষেত্ৰত অৱদান আগবঢ়োৱা মুঠ ৩৪টা শিতানৰ প্ৰায় দহ হাজাৰ বিশেষ অতিথিক আমন্ত্ৰণ জনোৱা হৈছে।

০০০০০

জম্মু-কাশ্মীৰত গণৰাজ্য দিৱস উপলক্ষে সন্ত্ৰাসবাদী কাৰ্যকলাৰ্যপ ৰোধ কৰাৰ লগতে নিৰাপত্তা সুনিশ্চিত কৰিবলৈ কটকটীয়া নিৰাপত্তা বেষ্টনী গঢ়ি তোলা হৈছে। আকাশবাণীৰ জম্মুৰ সংবাদদাতাই জনোৱা মতে, গণৰাজ্য দিৱসৰ মূল অনুষ্ঠানটো উপ-ৰাজ্যপাল মনোজ সিনহা আৰু মুখ্যমন্ত্ৰী ওমৰ আব্দুল্লাৰ উপস্থিতিত জম্মুৰ মৌলানা আজাদ ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। বিশেষকৈ আন্তঃৰাষ্ট্ৰীয় সীমান্ত আৰু নিয়ন্ত্ৰণ ৰেখাৰ সমীপত তালাচী অভিযান বৃদ্ধি কৰা হৈছে। বিভিন্ন সংস্থাসমূহৰ মাজত সমন্বয় নিশ্চিত কৰিবলৈ জ্যেষ্ঠ আৰক্ষী বিষয়াসকলে স্পৰ্শকাতৰ সীমান্ত অঞ্চলত নিৰাপত্তাৰ ব্যৱস্থাসমূহ নিৰীক্ষণ কৰি আছে। নিৰাপত্তা সুনিশ্চিত কৰিবলৈ অনুষ্ঠানৰ বাবে নিৰ্ধাৰিত স্থান আৰু ইয়াৰ আশে-পাশে থকা অঞ্চলসমূহ ড্ৰ'ন আৰু চিচি কেমেৰাকে ধৰি উন্নত প্ৰযুক্তিৰ সহায়ত নিৰীক্ষণ কৰি থকা হৈছে। জিলা সদৰসমূহত গণৰাজ্য দিৱস উদযাপনৰ বাবে বিস্তৃত নিৰাপত্তা পৰিকল্পনা যুগুত কৰিবলৈও উপায়ুক্তসকলক নিৰ্দেশ দিয়া হৈছে। জম্মু আৰু অঞ্চলটোৰ অন্যান্য জিলাসমূহতো কটকটীয়া নিৰাপত্তা ব্যৱস্থা গঢ়ি তোলা হৈছে। উপ-মুখ্যমন্ত্ৰী সুৰিন্দৰ চৌধুৰী আৰু কেবিনেট মন্ত্ৰী জাভিদ আহমদ দাৰ, সকিনা ইট্টু, সতীশ শৰ্মা, আৰু জাভেদ ৰাণাই ক্ৰমে শ্ৰীনগৰ, বাৰামুল্লা, অনন্তনাগ, কাঠুৱা, আৰু উধমপুৰ জিলাত গণৰাজ্য দিৱসৰ কাৰ্যসূচীত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব।

০০০০০

মহিলাৰ ১৯ বছৰ অনূৰ্ধৰ আই চি চি টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ দ্বিতীয় সংস্কৰণৰ গ্ৰুপ-এৰ এখন খেলত আজি, যোৱাবাৰৰ চেম্পিয়ন ভাৰত মালয়েছিয়াৰ মুখামুখি হ'ব। খেলখন দুপৰীয়া কুৱালালামপুৰৰ বেয়ুমাছ অভেল ষ্টেডিয়ামত আৰম্ভ হ'ব। গ্ৰুপ-এৰ আন এখন খেলত ৱেষ্ট ইণ্ডিজে শ্ৰীলংকা বিৰুদ্ধে খেলিব। খেলখন নিশা ৮ বজাত আৰম্ভ হ'ব। ভাৰতে ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে ৯ উইকেটত বিজয় সাব্যস্ত কৰি প্ৰতিযোগিতাত নিজৰ অভিযান আৰম্ভ কৰিছে।

০০০০০

চেন্নাইত হ'বলগীয়া ইণ্ডিয়ান ছুপাৰ লীগ ফুটবল প্ৰতিযোগিতাৰ এখন খেলত চেন্নাইয়ান ফুটবল ক্লাবে মোহন বাগান ছুপাৰ জায়েণ্টৰ বিৰুদ্ধে খেলিব। চেন্নাইয়ান ফুটবল ক্লাবে ১৬ খন খেল খেলি ১৭ পইণ্টেৰে তালিকাৰ দশম স্থানত আছে। ইপিনে মোহন বাগান ছুপাৰ জায়েণ্ট ৩৬ পইণ্টেৰে তালিকাৰ শীৰ্ষ স্থানত

আছে। উল্লেখযোগ্য যে আই এছ্ এল প্ৰতিযোগিতাত এতিয়ালৈ দল দুটাই ৯ বাৰ পৰস্পৰৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে। মোহন বাগানে ৪ খন খেলত আৰু চেন্নাইয়ান ফুটবল ক্লাবে দুখন খেলত জয়লাভ কৰিছে। ইয়াৰে ৩ খন খেল অমীমাংসিতভাৱে সমাপ্ত হয়।

০০০০০

ৰুৰকেল্লাৰ বীৰচা মুণ্ডা হকী ষ্টেডিয়ামত কালি অনুষ্ঠিত পুৰুষৰ হকী ইণ্ডিয়া লীগ প্ৰতিযোগিতাৰ এখন খেলত জে এছ্ ডব্লিঅ' ছুৰমা হকী ক্লাৱে শ্ৰাচী ৰাড় বেংগল টাইগাৰ্ছক ২-১ গ'লত পৰাস্ত কৰে। জে এছ্ ডব্লিঅ' ছুৰমাৰ হৈ প্ৰাভজ্যোত সিং আৰু মনিন্দৰ সঙে গ'ল দিয়ে। ইপিনে যুগৰাজ সিঙে শ্ৰাচী ৰাড় বেংগল টাইগাৰ্ছৰ হৈ একমাত্ৰ গ'লটো দিয়ে। প্ৰতিযোগিতাত বৰ্তি থকাৰ বাবে জে এছ্ ডব্লিঅ' ছুৰমা হকী ক্লাৱৰ এই বিজয় অত্যন্ত গুৰুত্বপূৰ্ণ আছিল। প্ৰতিযোগিতা তামিলনাডু ড্ৰেগনছে ১৫ পইণ্টেৰে শীৰ্ষ স্থানত আৰু হায়দৰাবাদ টুফান্স ১৩ পইণ্টেৰে দ্বিতীয় স্থানত আছে।

ৰাঁচীৰ মৰাং গোমকে জয়পাল সিং মুণ্ডা ষ্টেডিয়ামত কালি অনুষ্ঠিত মহিলাৰ এখন খেলত জে এছ্ ডব্লিঅ' ছুৰমা হকী ক্লাৱে দেলহী এছ্ জি পাইপাৰ্ছক ৫-১ গ'লত পৰাস্ত কৰে। এই জয়েৰে ছুৰমা হকী ক্লাৱে ৯ পইণ্টৰ সহায়ত শীৰ্ষস্থান দখল কৰিছে। ৮ পইণ্টেৰে ওড়িশা ৱাৰিয়ৰ্ছ দ্বিতীয় স্থানত আছে।

আজি সন্ধিয়া ৬ বজাত হ'বলগীয়া মহিলাৰ এখন খেলত জে এছ্ ডব্লিঅ' ছুৰমা হকী ক্লাৱ, ওড়িশা ৱাৰিয়ৰ্ছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ইপিনে নিশা ৮ বাজি ১৫ মিনিটত হ'বলগীয়া পুৰুষৰ খেলত ইউ পি ৰুদ্ৰাছে গোনাচিকা দলৰ বিৰুদ্ধে খেলিব।

০০০০০

সমাপ্ত